

২০২৫ বৰ্ষ

# কিশলয়



অসমীয়া বিভাগ
ধেমাজি মহাবিদ্যালয়




সম্পাদক
যামিনী দত্ত

২০২৫

# কিশলয়

## সম্পাদনা
### কক্ষত

উপদেষ্টা মণ্ডলী - ড° বুদ্ধেশ্বৰ কোঁচ
ড° বিনীতা চেতিয়া, ড° বৰ্ণালী শইকীয়া
শ্ৰীযুতা পূবালিমা বৰা

তত্বাৱধায়ক - শ্ৰীযুতা অনুৰূপা চুতীয়া

সম্পাদক - যামিনী দত্ত

সহঃ সম্পাদক - জ্যোতি প্ৰসাদ গগৈ

হাতৰ আখৰ - লুইচা ফুকন

প্ৰচ্ছদ - কৰবী দাং

চিত্ৰ - চিব্ৰল পেগু, ৰাজদ্বীপ দলে

সহযোগত - অসমীয়া বিভাগৰ
সমূহ ছাত্ৰ-ছাত্ৰী

উন্মোচিত কৰা হ'ল —
০৫/০৯/২০২৫

# সূচীপত্ৰ


| | | |
|---|---|---|
| ▫ বিভাগীয় প্ৰধানৰ একলম.... | | (ক) |
| ▫ সম্পাদকীয়.... | | (খ) |
| ▫ প্ৰবন্ধ: | | |
| ◦ নাৰীশক্তি | অম্বিকা তাৰ | ১ |
| ◦ অন্ধবিশ্বাস | দীপিকা চুতীয়া | ৩ |
| ◦ নব-প্ৰজন্ম আৰু সামাজিক মাধ্যম | হিয়া পেগু | ৫ |
| ▫ বিভাগীয় অনুভৱ: | | |
| ◦ বিভাগত মোৰ অনুভৱ | ছোনিয়া দত্ত | ৭ |
| ◦ অসমীয়া বিভাগত মোৰ যাত্ৰাৰম্ভ | সীমান্ত সোণোৱাল | ৯ |
| ◦ অনুভৱৰ একলম.... | জ্যোতিপ্ৰসাদ গগৈ | ১২ |
| ▫ গল্প: | | |
| ◦ চিনাকি সুখ | স্মৃতি গগৈ | ১৫ |
| ◦ অন্ধবিশ্বাস | কৰবী দাং | ১৭ |
| ▫ কবিতা: | | |
| ◦ আধৰুৱা মোৰ জীৱন | যুৱৰাজ বড়ি | ১৯ |
| ◦ আইৰ চকুলো | শ্যামন্ত দাস | ২০ |
| ◦ প্ৰতিচ্ছবি | কাকলি দত্ত | ২১ |
| ◦ সময় | পূজা সোণোৱাল | ২২ |
| ◦ স্মৃতি হ'ব কলেজীয়া দিনবোৰ | মৈত্ৰী পেগু | ২৩ |
| ▫ অনুগল্প: | | |
| ◦ অগ্নিশিখা যেন আবেলি | শ্যামন্ত দাস | ২৪ |
| ◦ অবাস্তৱ | দীপিকা চুতীয়া | ২৫ |
| ▫ সাধাৰণ জ্ঞান: | | |
| ◦ বিশিষ্ট সাহিত্যিক | চিৰিল পেগু | ২৬ |
| ◦ প্ৰশ্নোত্তৰ | পায়ুমী চুতীয়া | ২৮ |
| ▫ মহৎ বাণী: | বাবলি সোণোৱাল | ২৯ |
| ▫ সাঁথৰ: | পৰী গগৈ | ৩০ |

# বিভাগীয় প্ৰধানৰ একলম...

" শাস্ত্ৰ গুৰুসৱে শিষ্যক কৃপায়ে
শুদ্ধ উপদেশ দিব ।
শিষ্যসৱে শুদ্ধ- ভাৱে নধৰিলে
তাৰাসৱে কি কৰিব ॥ "

—'নাম-ঘোষা,' পদ সংখ্যা ২৫৬

'শিক্ষক দিৱস'- এই তাৎপৰ্যপূৰ্ণ দিনটোত ধেমাজি মহাবিদ্যালয়ৰ 'অসমীয়া বিভাগ'ৰ পৰা হাতেৰে লিখা সৰু কলেবৰৰ আলোচনী 'কিশলয়' প্ৰকাশৰ পথত আগবাঢ়ি অহাৰ বাবে আমি সম্পাদকৰ লগতে সমূহ শিক্ষাগুৰু আৰু ছাত্ৰবন্ধুসকলৰ প্ৰতি শ্ৰদ্ধা আৰু অভিনন্দন জ্ঞাপন কৰিছোঁ ।

বিজ্ঞান-প্ৰযুক্তিবিদ্যাই খতবাতালি দি মাতি থকাৰ যুগতো বিভাগৰ শিক্ষাৰ্থীসকলে মনৰ অভিজ্ঞতা তথা সৃষ্টিশীলতাক হাতৰ আখৰে লিখি ৰখাৰ প্ৰয়াস নিশ্চয় ব্যতিক্ৰম ।

'কিশলয়'ৰ গতিপ্ৰবাহে অসমীয়া বিভাগটোক সমৃদ্ধ কৰাৰ লগতে মহাবিদ্যালয়খনিৰ বাবেও এক গৌৰৱ্জ্জ্বল হওক । এই আশাৰে —

অনুৰূপা চুতীয়া
০৪-০৯-২০২৫

# সম্পাদকীয়...


"কিশলয়" মানে নতুন পাতৰ অংকুৰ- জীৱনৰ সেউজীয়া আশা আৰু সপোনৰ প্ৰতীক। এই আলোচনীখনো ঠিক তেনেই, য'ত আমাৰ অসমীয়া বিভাগৰ শিক্ষাৰ্থীসকলৰ কল্পনা, চিন্তা আৰু প্ৰতিভাৰ সেউজীয়া অংকুৰ ফুলি উঠে। 'কিশলয়' অকল এখন আলোচনী নহয়, ই আমাৰ সপোন, আমাৰ কলমৰ শক্তি আৰু একত্ৰিত সৃষ্টিশীলতাৰ উজ্জ্বল প্ৰমাণ।

সাহিত্য মানৱ জীৱনৰ দাপোনস্বৰূপ। সাহিত্য মানে কেৱল অক্ষৰৰ সমষ্টি নহয়; ই মানৱ হৃদয়ৰ ধ্বনি, চিন্তা-চেতনা আৰু যুগ-যুগান্তৰৰ অভিজ্ঞতাৰ মেলা। সাহিত্যই মানুহক কেৱল সুন্দৰৰ স্থানত নেৰাখি, তেওঁৰ ভাৱনাৰ জগতক সেউজীয়াৰে জাগ্ৰতকৈ তোলে।

সেই গুৰুত্ব উপলব্ধি কৰিয়েই মহান মনিষী, দাৰ্শনিক, শিক্ষাবিদ, ৰাজনীতিবিদ ড° সৰ্বপল্লী ৰাধা কৃষ্ণণৰ জন্ম দিৱস অৰ্থাৎ শিক্ষক দিৱসৰ লগত সংগতি ৰাখি বিগত প্ৰত্যেক বছৰৰ দৰে এইবাৰো অসমীয়া বিভাগৰ সমূহ পৰিয়ালৰ সহযোগত হাতে-লিখা আলোচনী 'কিশলয়'ৰ '২০২৫বৰ্ষীয় সংখ্যাটো লিখি উলিয়াবলৈ সাহ কৰিলোঁ।

শেষত আলোচনীখন প্ৰস্তুত কৰি উলিওৱাত মূল্যৱান দিহাপৰা-মৰ্শৰে আঁত ধৰা চাৰ-বাইদেউসকলৰ লগতে অগ্ৰজবৃন্দ, সহপাঠী তথা অনুজসকললৈও সম্পাদিকাৰ ফালৰ পৰা অশেষ ধন্যবাদ আৰু কৃতজ্ঞতা জনালোঁ।

যামিনী দত্ত
সম্পাদক
'কিশলয়'



# প্রবন্ধ

# নাৰীশক্তি

"য'ত নাৰী ত'ত দেৱতা"। – এই প্ৰবাদ উক্তিটোৱে নাৰীৰ সন্মান, শক্তি আৰু ভূমিকাৰ প্ৰতি আমাৰ সমাজত আদিকালৰ পৰা থকা দৃষ্টি-ভংগীক প্ৰতিফলিত কৰে। নাৰীয়ে কেৱল জন্ম দান কৰে তেনে নহয়, তেওঁ সমাজ গঢ়ে, সংস্কৃতি সংৰক্ষণ কৰে আৰু প্ৰজন্মক শক্তি যোগায়।

নাৰী শব্দটো সদায় সহনশীলতা, মৰম, কৰুণা, সৃষ্টিশীলতা আৰু উৎসৰ্গৰ প্ৰতিৰূপে বিবেচিত হৈছিল। কিন্তু এতিয়া এই শব্দটো ক্ষমতা, নেতৃত্ব, আত্মনিৰ্ভৰশীলতা, আদিৰ প্ৰতীকত পৰিণত হৈছে। বৰ্তমান সময়ত নাৰী মাত্ৰ কাম-কাজৰ পৰা আৰম্ভ কৰি, শিক্ষা বিজ্ঞান, ৰাজনীতি, সাহিত্য, খেল আদি সকলো ক্ষেত্ৰত নিজৰ লগতে দেশৰ গৌৰৱ কঢ়িয়াই নিবলৈ সক্ষম হৈছে।

• অতীত আৰু বৰ্তমান পৰিস্থিতিত নাৰীৰ স্থান:

অতীতত নাৰীৰ জীৱন সীমাবদ্ধ আছিল ঘৰ-সংসাৰ, কাম-কাজ; ঘৰৰ দায়িত্বসমূহৰ কাৰাগাৰৰ পৰা ওলাই অহাৰ আজৰি নাই। শিক্ষা, মত প্ৰকাশ, সম্পত্তিৰ অধিকাৰ তেওঁলোকৰ নাছিল।

কিন্তু বৰ্তমান সময়ৰ শিক্ষাৰ প্ৰচাৰ-প্ৰসাৰে, আইনী সজাগতা আৰু সমাজৰ মানসিক সজাগতাৰ জৰিয়তে নাৰীয়ে নিজৰ অধিকাৰ আৰু ক্ষমতা উপলব্ধি কৰিব ধৰিলে। আজিৰ নাৰীয়ে নিজে সিদ্ধান্ত ল'ব পাৰে, নিজৰ সপোন পূৰণ কৰিবলৈ সাহসেৰে আগবাঢ়ি যাব পাৰে।

(১) নাৰীৰ শক্তিৰ উদাহৰণ দিবলৈ হ'লে যেনে – চন্দ্ৰযান-৩ ৰ সফলতাত মহাকাশ বিজ্ঞানী নাৰীসকলৰ অৱদান।

(২) ক্ৰীড়াক্ষেত্ৰৰ গৌৰৱ বুলি ক'লে মেৰী কম, হিমা দাস,

Sania mirza।

(৩) ভাৰত আৰু পাকিস্তানৰ যুদ্ধত (operation sindoor)ত অংশগ্ৰহণ দিয়া মহিলাসকল।

(৪) কল্পনা চাওলা, সুনীতা উইলিয়ামছ বিশ্ব মহাকাশ বিজ্ঞানৰ প্ৰতিনিধি এইসকলেই নাৰীৰ শক্তিৰ উজ্জ্বল উদাহৰণ।

ইয়াৰ উপৰি সমাজ গঠনত নাৰী শক্তিৰ ভূমিকা উল্লেখযোগ্য। নাৰী একেধাৰাকৈ একে সময়তে মাক, গৃহিণী, বন্ধু আৰু বহু প্ৰেৰণাৰ হ'ব পাৰে। গতিকে নাৰী শক্তি বিষয় অপৰিসীম। যাক আমি কাৰো লগত তুলনা কৰিব নোৱাৰো। সমাজৰ সকলো ক্ষেত্ৰতে নাৰীৰ ভূমিকা অপূৰ্ব। কাৰণ নাৰীয়ে নিজে শিক্ষিত হৈ নিজৰ ঘৰৰ লগতে সমাজ গঠনৰ প্ৰত্যেকটো দিশতে অৱদান আগবঢ়াব পাৰে। আমাৰ সমাজত কোৱা মতে, — "এজন পুৰুষ শিক্ষিত হ'লে এজন ব্যক্তিক শিক্ষা দিয়ে, কিন্তু এজনী নাৰী শিক্ষিত হ'লে এটা জাতিক শিক্ষা দিয়ে"।

এই উক্তিটো সঁচা। কিন্তু বৰ্তমান নাৰীৰ জীৱন পূৰ্বতকৈ সলনি হোৱা বুলি কোৱা হয় যদিও আমাৰ গাঁৱলীয়া ভিতৰুৱা সমাজত বৰ্তমানেও নাৰীক লৈ কিছু মত-ভেদ নোহোৱা নহয়। এতিয়াও সমাজত নাৰীৰ কিছুমান কাম লৈ বা নাৰীক লৈ অন্ধবিশ্বাস নোহোৱা নহয়। 'ডাইনী', 'নাগিনী' এই শব্দবোৰ এতিয়াও নাৰীৰ লগত ব্যৱহাৰ কৰা হয়। ইয়াৰ মূল কাৰণ গাঁৱৰ ভিতৰুৱা অঞ্চলত শিক্ষা বিস্তাৰৰ অভাৱজনিত কাৰণতে মানুহৰ মানসিক চিন্তা-চৰ্চা নাৰীক লৈ কিছু দুৰ্বল। গতিকে তেওঁলোকৰ মানসিক চেতনা দূৰ কৰিবলৈ শিক্ষা ব্যৱস্থা সমাজৰ প্ৰত্যেকটো চুকে-কোণে প্ৰচাৰ কৰাৰ প্ৰয়োজন আছে, যাতে শিক্ষা গ্ৰহণ কৰি সমাজৰ সকলো লোকে সঠিক সিদ্ধান্ত আৰু চিন্তা-চৰ্চা কৰিব পাৰে।

• অম্বিকা তাৰ
পঞ্চম ষাণ্মাসিক

# অন্ধবিশ্বাস

মানুহে সমাজত জীৱন-যাপন কৰিবলৈ জ্ঞানৰ প্ৰয়োজন। জ্ঞান আৰু বুদ্ধিৰ জৰিয়তে মানুহে নিজকে অগ্ৰগতিৰ দিশত আগুৱাই লৈ যায়। কিন্তু জ্ঞানৰ অভাৱত বা অধিক চিন্তা-ভাৱনা নকৰাৰ ফলত মানুহে বহু সময়ত বিভিন্ন বিষয়ৰ অন্ধবিশ্বাসৰ বলি হয়।

অন্ধবিশ্বাস অৰ্থাৎ যিকোনো কথা যুক্তি-বুদ্ধিৰে চিন্তা-নকৰাকৈ বিশ্বাস কৰাক বুজোৱা হয়। সমাজত বিভিন্ন প্ৰকাৰৰ অন্ধবিশ্বাস দেখা যায়। উদাহৰণস্বৰূপে – কুকুৰে ভুকিলে অশুভ বুলি ধৰা, বজ্ৰ-পাত বা ভূমিকম্পক কোনো দেৱ-দেৱীৰ কৃপা বুলি ধৰা, বেমাৰ হ'লে চিকিৎসা নকৰাকৈ যাদু বা তন্ত্ৰ-মন্ত্ৰৰ ওপৰত নিৰ্ভৰ কৰা আদি। এইবোৰ প্ৰচলিত ধাৰণাই অন্ধবিশ্বাসৰ নিদৰ্শন।

অন্ধবিশ্বাসৰ কাৰণে মানুহে কেতিয়াবা ভয়ত জীৱন কটায়। বহু ক্ষেত্ৰত মানুহৰ অগ্ৰগতিৰ পথ প্ৰতিৰোধ হয়। বিশেষকৈ চিকিৎসা বিজ্ঞানৰ অগ্ৰগতিও অন্ধবিশ্বাসৰ বাবে বহু ক্ষেত্ৰত ফলপ্ৰসূ হ'ব নোৱাৰে। বহু মানুহে চিকিৎসকক বাদ দি গুণীজনৰ ওচৰলৈ যায় আৰু ইয়াৰ ফলত জীৱন সংকটত পৰে। বিজ্ঞানৰ কথা নুশুনি কুসংস্কাৰ মানে। ফলত ৰোগ বৃদ্ধি পায়, ধন-সম্পত্তি নষ্ট হয়, আৰু কেতিয়াবা জীৱনহে হেৰুৱাব লগা হয়। অন্ধবিশ্বাসৰ মূল কাৰণ হৈছে অশিক্ষা, দাৰিদ্ৰ্য আৰু অজ্ঞতা। শিক্ষাৰ আলোকে যেতিয়া সমাজক স্পৰ্শ নকৰে, তেতিয়া অন্ধকাৰে ঢাকি ধৰে। সেই অন্ধকাৰেই অন্ধবিশ্বাস।
3 অন্ধবিশ্বাস আঁতৰাবলৈ শিক্ষা সকলোতকৈ গুৰুত্বপূৰ্ণ। শিক্ষাই মানুহক যুক্তি শিকায়, বিজ্ঞানৰ সঁচা পথ দেখুৱায়। সমাজত নাট, চলচ্চিত্ৰ, কাব্য, প্ৰবন্ধ আদিৰ জৰিয়তে সচেতনতা বৃদ্ধি কৰিব লাগে। অশিক্ষিত মানুহে সহজে যিকোনো কথা বিশ্বাস কৰে। সঁচা শিক্ষিত লোক

সকলো অনেক সময়ত সমস্যা উপায় বিচাৰি এনীৰ ওচৰলৈ যায়। অন্ধবিশ্বাসে মানসিক ক্ষতি, শাৰীৰিক ক্ষতি, অৰ্থনৈতিক ক্ষতি, সামাজিক ক্ষতি, জাতীয় ক্ষতি কৰে। এইবোৰৰ পৰা আমি পৰিত্ৰাণ পাবৰ বাবে গাঁৱৰ মানুহ বা অশিক্ষিত মানুহৰ মাজত শিক্ষাৰ প্ৰসাৰ, বিজ্ঞানমূলক মনোভাব, সচেতনতা বৃদ্ধি, কৰিব লাগিব।

অন্ধবিশ্বাস সমাজৰ বাবে অতি ক্ষতিকাৰক, ই মানুহৰ মনৰ স্বাধীনতা নাই কৰিছে, শাৰীৰিক স্বাস্থ্য নষ্ট কৰে, পৰিয়ালৰ কষ্ট দিয়ে। আমাৰ দায়িত্ব হৈছে নিজে অন্ধবিশ্বাস এৰি চলা, আৰু সমাজখনো এইদিশে জাগ্ৰত কৰা। শিক্ষক, ছাত্ৰ-ছাত্ৰী, পিতৃমাতৃ, সংবাদ মাধ্যম আৰু সমাজৰ সংগঠনসমূহে মিলি একেলগে সচেতনতা বৃদ্ধি কৰিলে অন্ধবিশ্বাস আঁতৰাব পাৰি। অন্ধবিশ্বাস আঁতৰাবলৈ শিক্ষা আৰু বিজ্ঞানৰ প্ৰদীপ জ্বলাই দিয়াটোৱেই আমাৰ কৰ্তব্য। মানুহে যেতিয়া যুক্তি আৰু সত্যৰ পথত আগুৱাই যাব, তেতিয়াহে সমাজত শান্তি, উন্নতি আৰু সঁচা সমৃদ্ধি আহিব।


• দীতিচা চুতীয়া
প্ৰথম ষাণ্মাসিক

# নৱপ্ৰজন্ম আৰু সামাজিক মাধ্যম

আধুনিক যুগটো হৈছে প্ৰযুক্তিৰ যুগ, বিজ্ঞানৰ যুগ। এই যুগত ইণ্টাৰনেটৰ সহজলভ্যতাৰ ফলত সামাজিক মাধ্যম মানুহৰ জীৱনৰ এটা অবিচ্ছেদ্য অংশ হৈ পৰিছে। বিশেষকৈ নৱ-প্ৰজন্ম অৰ্থাৎ কিশোৰ কিশোৰী আৰু যুৱ-সমাজ এই মাধ্যমৰ সৈতে অধিক ঘনিষ্ঠভাৱে জড়িত সামাজিক মাধ্যমৰ বিভিন্ন প্লেটফৰ্ম যেনে - ফেচবুক, ইনষ্টাগ্ৰাম, হোৱাটছএপ, স্নেপচেট আদিয়ে যুৱ প্ৰজন্মৰ দৈনন্দিন জীৱনত এটা গুৰুত্বপূৰ্ণ স্থান দখল কৰিছে।

সামাজিক মাধ্যমৰ সদ্ব্যৱহাৰ:-

নৱ প্ৰজন্মৰ বাবে সামাজিক মাধ্যম হৈছে জ্ঞানৰ ভঁৰাল আৰু যোগাযোগৰ এক শক্তিশালী মাধ্যম। ইয়াৰ সদ্ব্যৱহাৰৰ জৰিয়তে যুৱ-প্ৰজন্মই পৃথিৱীৰ বিভিন্ন দেশৰ লোকৰ সৈতে যোগাযোগ কৰিব পাৰে। বহুতে নিজৰ শিল্প, সাহিত্য, ফটোগ্ৰাফি, সংগীত আদি দক্ষতা আৰু সৃষ্টিৰাজি সামাজিক মাধ্যমৰ জৰিয়তে প্ৰকাশ কৰি সফলতাৰ শিখৰত উপনীত হৈছে। তদুপৰি, সামাজিক মাধ্যমৰ আন এক প্ৰশংসনীয় বৈশিষ্ট্য হৈছে নৱপ্ৰজন্মৰ ব্যক্তিত্ব বিকাশ। সামাজিক মাধ্যমৰ সদ্ব্যৱহাৰে উপযুক্ত জ্ঞানেৰে পুষ্ট কৰি সু-ব্যক্তিত্বৰ অধিকাৰী হোৱাত সহযোগিতা আগবঢ়ায়। উদাহৰণস্বৰূপে শিক্ষামূলক ভিডিঅ', অনলাইন পাঠদান আদিয়েও ছাত্ৰ-ছাত্ৰীৰ ব্যক্তিত্বৰ বিকাশত বিশিষ্ট হ'লেও অৰিহণা যোগাই আহিছে। ইয়াৰ উপৰিও সামাজিক মাধ্যম সচেতনতা বৃদ্ধিৰ ক্ষেত্ৰত যথেষ্ট সহায়ক; যেনে - সামাজিক ন্যায়,
5 নাৰী সমতা, বিজ্ঞান আদি সম্পৰ্কত সজাগতাৰ সৃষ্টি কৰায়।

নেতিবাচক প্ৰভাৱ:

যদিও সামাজিক মাধ্যমৰ বহুতো সুফল আছে, তথাপিও ইয়াৰ কিছুমান কিছুমান গুৰুত্বপূৰ্ণ নেতিবাচক দিশো আছে যিবোৰে


নৱপ্ৰজন্মৰ মন-মগজু সম্পূৰ্ণ গ্ৰাস কৰি পেলাইছে। Social media ত অধিক সময় ব্যয় কৰাত বহুতৰে মোবাইলৰ প্ৰতি আসক্তিৰ সৃষ্টি হয়। এই আসক্তিৰ ফলত পঢ়া শুনাত মনোযোগৰ অভাৱ আদি পৰিলক্ষিত হৈছে। সামাজিক মাধ্যমত কিছুমান ছবি চোৱাৰ পাছত কিছুমান চৰিত্ৰৰ লগত নিজক তুলনা কৰাৰ ফলত নিজৰ জীৱনক তুচ্ছ জ্ঞান কৰি বহুতে হতাশাত ভোগে আৰু আত্মবিশ্বাস হেৰুৱায়। আনকি কিছুমান ক্ষেত্ৰত অনলাইন ট্ৰেডিংৰ নামত ধন লুণ্ঠন আদি সমস্যাও সৃষ্টি হোৱাৰ হয়। তাৰোপৰি কিছুমান ব্যক্তিগত গোপনীয়তা ভংগৰ হোৱাৰ সমস্যাই দেখা দিছে। এনেবোৰ ঘটনাৰ ফলত আত্মহত্যাৰ ঘটনাও ক্ৰমে বৃদ্ধি পাইছে, যি বৰ্তমান এক চিন্তনীয় আৰু প্ৰাসংগিক বিষয় হৈ পৰিছে।

সমাধান আৰু পথনিৰ্দেশ:

বৰ্তমান যুগত সামাজিক মাধ্যম মানুহৰ জীৱনৰ লগত ওতঃপ্ৰোত ভাৱেৰে বান্ধ খাই পৰিছে। গতিকে ইয়াৰ সদ্ব্যৱহাৰ কৰাটো অতি প্ৰয়োজন। তাৰ বাবে পিতৃ-মাতৃ আৰু সমাজৰ ভূমিকা অতি গুৰুত্বপূৰ্ণ। অভিভাৱকসকলে নিজৰ সন্তানৰ সামাজিক মাধ্যম ব্যৱহাৰৰ ক্ষেত্ৰত খুবেই দায়িত্বশীল আৰু সচেতন হোৱা উচিত।

সামাজিক মাধ্যম হৈছে আধুনিক যুগৰ এক শক্তিশালী অস্ত্ৰ। ইয়াৰ সঠিক ব্যৱহাৰে নৱপ্ৰজন্মক এক সুন্দৰ জীৱন উপহাৰ দিয়ে আৰু অপব্যৱহাৰে অভিশাপ হিচাপে এক নাৰকীয় জীৱন দিয়ে। সেয়ে সামাজিক মাধ্যমৰ সদ্ব্যৱহাৰ আৰু অপব্যৱহাৰৰ পৰিণাম চিনাক্ত কৰি সজাগ, সংযমী আৰু দূৰদৰ্শী দৃষ্টিৰে অবাটে যোৱাৰ পৰা বিৰত থাকি সদ্ব্যৱহাৰ কৰাটো খুবেই প্ৰাসংগিক। আজিৰ ছাত্ৰ কাইলৈ
6 দেশৰ নাগৰিক। গতিকে তেওঁলোকক এই দিশত সঠিক পথ দেখুওৱা আমাৰ সকলোৰে দায়িত্ব আৰু কৰ্তব্য।

• হিয়া পেগু
তৃতীয় ষাণ্মাসিক



# বিভাগীয় অনুভব


# বিভাগত মোৰ অনুভৱ

সময় গতিশীল। সময়ৰ গতিশীলতাক ৰোধি আমি কেতিয়াও বৈ যাব নোৱাৰোঁ। সময়ৰ অন্তৰালত ধৰি ৰাখিব পৰা সমস্ত আশা আমাৰ আছে? আগৰ পৰাই মই ধেমাজি মহাবিদ্যালয়ৰ অসমীয়া বিভাগৰ কথা জানিছোঁ। তেতিয়াৰ পৰাই মোৰ মনত এক অদম্য হেঁপাহ জাগি উঠিছিল - এদিন ময়ো ধেমাজি মহাবিদ্যালয়ৰ অসমীয়া বিভাগৰ একাকৰী ছাত্ৰী হ'ম। অৱশেষত মোৰ সৌভাগ্যত সেই দিনটো আহি পৰিল। ১ আগষ্ট, শুক্ৰবাৰ এটি বিশেষ দিন; নতুন ঠাই, নতুন পৰিৱেশ, নতুন মানুহ। চিনাকি বুলিবলৈ তেনেকৈ কোনো নাছিল। বিভিন্ন ঠাইৰ পৰা অহা ছাত্ৰ-ছাত্ৰী সকলক দেখিছোঁ; কিন্তু মই অনুভৱ কৰিব পাৰিছোঁ সকলোবোৰ মোৰ বাবেই নতুন। কাকো মাতোঁ, কাকো নামাতোঁ - মনত অসংখ্য প্ৰশ্ন, একো নজনাৰ লাজ, ভয় সংকোচ বুকুত বান্ধি ভৰি দিছিলোঁ। কম সময়তে আপোন হৈ পৰিল ধেমাজি মহাবিদ্যালয়ৰ অসমীয়া বিভাগ। নতুন যাত্ৰা। মোৰ চকু-ভুৰিয়ে যেন কোনোবা এমন চিনাকি মুখ বিচাৰি আছে। কিন্তু হঠাৎ মোৰ চকু পৰিল অসমীয়া বিভাগৰ কাষতে হাঁহি মুখেৰে বৈ আছে সমৰৰ বৰুৱা ছাৰ। মই বৰুৱা ছাৰ ওচৰলৈ গৈ চিনাকি হ'লোঁ। ইমান ধুনীয়াকৈ বৰুৱা ছাৰে কথাবোৰ বুজাই দিলে, সঁচাকৈ বৰুৱা ছাৰ, তোমাক অশেষ ধন্যবাদ।

উহঃ, মনৰ গভীৰ কুঠৰীটো যেন আলোড়ন হ'লেও পাতলিল। বৰুৱা ছাৰ, ধেমাজি মহাবিদ্যালয়ৰ অন্যতম উজ্জ্বলৰ ভূমি। সকলোবোৰ শ্ৰেণী
7 কোঠাত পাইছে, চিনাকি হৈছে। নিজকে কোনোবা মিলিত অসহায় যেন লাগিছে। কেনেকৈ মাতোঁ, কি সুধিম; কিন্তু লাহে লাহে মইয়ো বন্ধু-বান্ধৱী সকলৰ লগত চিনাকি হ'লোঁ। মোৰ মনতো চিনাকি হ'ল। লাহে লাহে অসমীয়া বিভাগৰ তৃতীয় আৰু পঞ্চম ষাণ্মাসিকৰ

দাদা-বাইদেউ সকলেও আমাৰ সকলোৰে সৈতে চিনাকি হ'ল। দাদা-বাইদেউসকলৰ সংযম, আদৰ, আৰু শ্ৰদ্ধা দেখি সঁচাকৈ মোৰ যেন এক বুজাব নোৱাৰা অনুভৱ হৈছিল। দাদা-বাইদেউ সকলে কোনো বিষয়ৰ দাবী-ধমকি নিদিয়াকৈ ইমান ধুনীয়াকৈ কামবোৰ বুজাই দিছিল। মই বহুত আনন্দিত হৈছিলোঁ। শ্ৰদ্ধাৰ শিক্ষাগুৰু সকলে বিভাগটো অতি ইমান সুন্দৰকৈ আমাৰ লগত চিনাকি হৈ বিভিন্ন বিষয়ৰ আলোচনা কৰিলে বহুত ভাল লাগিল। নতুনকৈ সকলোৰে লগত যেন এক নিবিড় সম্পৰ্ক গঢ়ি উঠিল ঠিক এটি পৰিয়ালৰ দৰে। সকলোবোৰ একতাৰ ডোলেৰে বান্ধ খাই পৰিল। যাতে মোৰ অনুভৱ হৈছিল যেন সকলো মোৰ পুৰণি চিনাকি। অসমীয়া বিভাগৰ প্ৰতিজন সদস্যই সহজ-সৰল আৰু অমায়িক।

সকলোৰে লগত মিলা-প্ৰীতিৰে সময় প্ৰতিশ্ৰুতিৰে মই মোৰ অনুভৱ ইমানতেই সামৰিলোঁ।



• ছোনিয়া দত্ত
প্ৰথম ষাণ্মাসিক

৪

# অসমীয়া বিভাগত মোৰ যাত্ৰাৰম্ভ

"অজ্ঞান তিমিৰান্ধস্য
জ্ঞানাঞ্জন শলাকয়া
চক্ষুৰুন্মীলিতং যেন
তস্মৈ শ্ৰী গুৰৱে নমঃ"

অজ্ঞানতাৰ আন্ধাৰত অন্ধ হৈ থকা জনক জ্ঞানৰ দিয়াশলাইৰে চক্ষু মুকলি কৰিলে আপোনালোকে। আমিও অজ্ঞানতাৰ আন্ধাৰত অন্ধ হৈ আছিলোঁ এমন নতুন জগতলৈ।

নতুন পৰিৱেশ, নতুন পৰিচয়, নতুন বন্ধু, ভয় আশংকাৰে মোক দিলেহি মই জীৱনৰ এক নতুন যাত্ৰাত। নৱাগত হিচাপে প্ৰথমে মোৰ নতুন পৰিৱেশৰ লগত খাপ খাবলৈ যথেষ্ট অসুবিধা হৈছিল। কাৰণ ইয়াত বহুতো নতুন মুখ, নতুন শিক্ষাগুৰু, নতুন অধ্যয়ন পদ্ধতি আছে। যিবোৰৰ লগত খাপ খাবলৈ এজন নৱাগত ছাত্ৰ হিচাপে বহুতো অসুবিধাৰ সন্মুখীন হ'বলগা হয়, যিটো মোৰো হৈছিল। ভাবিছিলোঁ, এইবোৰৰ লগত নিজকে খাপ খোৱাব পাৰিম জানো! প্ৰথম অৱস্থাত এইবোৰ চিন্তা কেৱল মোৰেই নহয়, সকলো নৱাগত ছাত্ৰ বা ছাত্ৰীৰ হয়েই স্বাভাৱিক। প্ৰথম দিনাই কলেজত সোমাই অসমীয়া বিভাগৰ পবিত্ৰ প্ৰাংগনত ভৰি দিওঁতে মোৰ অনুভৱ হৈছিল অজ্ঞান আন্ধাৰত লোকৰ বিচাৰি আহি মই আন্ধাৰৰ মাজত চাৰিওফালে অচিনাকি মানুহৰ মুখবোৰ দেখি বৰ বিমোৰত পৰিছিলোঁ। কি কৰোঁ মই উপায়বিহীন হৈ পৰিছিলোঁ। দুদিন মানৰ পিছত অলপ যেন লোকৰ চিনাকি পালোঁ। আমাৰ অগ্ৰজ সকলে আহি নিজকে এই অচিন জগতখনত কেনেকৈ খাপ খাব

লগে তেওঁক আঁকোৱালি লৈছিলোঁ। সেই আশ্ৰমৰ মাজতে কৰ্মচাৰী
কৰ্মচাৰী হৈ আমাৰ শিক্ষা প্ৰতিপালনৰ নিজৰ কৰ্তব্যৰ
বিষয়ে আঁকোৱালি লৈছিলে। লাহে লাহে আশ্ৰমৰ ভেঁটি মজবুত
হবলৈ ধৰিলে। তেতিয়া অনুভৱ কৰিলোঁ, এই অচিনাকি ঠাইত
ঘৰৰ লগত নিজকে মিল খোৱাবলৈ শিকিলোঁ; নিজৰ ঘৰখনক
চিনিব পাৰিলোঁ। ক্ৰমান্বয়ে অচিনাকি ঠাইখন চিনাকি হবলৈ
ধৰিলে।

আশ্ৰমৰ ভেঁটি দৃঢ় হ'ল। এতিয়া মোৰ অসমীয়া
বিভাগত আছি এনে লাগিছে যেন এটা পৰিয়াল মালিকত পাঁচজন
ভাইভনীক একেলগে লৈ থাকিছোঁ, যিয়ে আমাৰ সকলো সমস্যাৰ
লগত যুঁজ দিবলৈ সাহস দি থিয় দিছে। মোৰ ভৰ্ত্তিৰ দিনতে
আপোন হৈ পৰিল আমাৰ প্ৰাণৰ শিক্ষাগুৰুসকল। নিজে মম
বাতিৰ দৰে গলি গলি পোহৰ দি আমাৰ জীৱনটো তুলিব বিচাৰে;
সেইসকলে শিক্ষাগুৰুক প্ৰণাম জনাইছোঁ।


অসমীয়া বিভাগত পাই মোৰ এটা নতুন সপোন আহি
উঠিছে, সেইটো হৈছে এজন ভাল সাহিত্যিক হোৱাৰ। ভাল
কবি বা ভাল সাহিত্যিক হবলৈ কি কৰিব লাগে বা কেনেকৈ
প্ৰথম আৰম্ভণি কৰিব লাগিব তাৰো পাঠ-পাঠ্যক্ৰমৰ লগতে
আমাৰ অগ্ৰজসকলে আমাক শিকাইছে। মোৰ বাবে এতিয়া
পাঠ-পাঠ্যক্ৰমৰ লগতে অগ্ৰজসকলেও মোৰ অনুপ্ৰেৰণা হৈ
পৰিছে, যিয়ে আমাক সপোন দেখিবলৈ শিকাইছে। সপোনটো
10 কেনেকৈ দিঠকত পৰিণত কৰিব লাগে তাৰো এক আভাস
দিছে।

অসমীয়া বিভাগৰ প্ৰত্যেকজন সদস্যই প্ৰমাণ কৰি দিছে যে
অসমীয়া বিভাগ এটা বিভাগ নহয় ই এক পবিত্ৰ ভৱনৰ

মন্দিৰ। আজি নিজকে গৌৰৱবোধ কৰিছোঁ-ময়ো অসমীয়া বিদ্যালয়ৰ ছাত্ৰ। অসমীয়া বিদ্যালয়ৰ প্ৰত্যেকটো কাম নিখুঁতভাৱে কৰি যাম বুলি প্ৰতিশ্ৰুতিবদ্ধ হৈছোঁ।

অসমীয়া বিদ্যালয়টোৰ বিষয়ে মোৰ অনুভৱবোৰ আখৰেৰে প্ৰকাশ কৰি থাকিলে চাগৈ হাজাৰটা কলম, হাজাৰখন উকা কাগজেও নুজুৰিব।

• সীমান্ত সোণোৱাল
প্ৰথম ষাণ্মাসিক



# অনুভৱৰ একলম...

ধেমাজি মহাবিদ্যালয়ৰ অসমীয়া বিভাগত এই সম্পূৰ্ণ নতুন বছৰ আৰু কিছুদিন পাৰ হৈ গৈছে। আজিৰ পৰা বিগত দুই বছৰৰ সময়ছোৱালৈ এবাৰ চাই পঠিয়ালে জীৱনৰ অধ্যায়বোৰৰ মাজৰ বিশেষ এটা অধ্যায়ৰ খণ্ডবোৰ মনপটত ভাঁহি উঠে। ইয়ালৈ অহাৰ, হয়তো কটোৱা সময়বোৰৰ কথাবোৰহে জীৱনৰ সুন্দৰ কোনো এটি সিদ্ধান্তৰ কথা বুলিব পাৰি।

সৰুৰে পৰা হাঁহি-সমৃদ্ধিৰে ভৰা মন এটা, মুখমণ্ডল এখন লৈ ডাঙৰ, শিক্ষক দিশত প্ৰায় আগবঢ়া তথা জ্ঞানপিপাসু, কোনোবাই বোলে অভিমানে দেউতাকক প্ৰশ্ন সুধিব সহজভাৱে জীৱন কটাও আহি আহি কোনোবাখিনিত নিজৰ সপোন আত্মবিশ্বাসহীন সমৃদ্ধি হেৰুৱাই পেলাই শুষ্ক মন এটাৰ গৰাকী হৈ পৰিছিলোঁ। সেইখিনিৰ তাড়নাত বহু কেইটা মাহ ভোগাৰ পিছতেহে নিজৰ এটা অলৌকিক জীৱন শক্তিৰ বলত সিদ্ধান্ত কৰি পেলাইছিলোঁ এই মহাবিদ্যালয়খনি, এই অসমীয়া বিভাগখনি আহৰ। মোৰ কোনো নতুন সংগ্ৰহ কৰাৰ, বিদ্যায়তনিক সাফল্যৰ লাভ কৰাৰ লক্ষ্যহে নাছিল হয়তো। মাথোঁ হাঁহি-খুচি ভৰা মোৰ সত্তাটোক আকৌ উচাহ-উদ্দীপনা ঘূৰাই অনাৰ উদ্দেশ্যেৰেহে ইয়ালৈ আহি ইয়াৰ সজীৱ-সতেজ পৰিৱেশত নিজকে বিলীন কৰি পেলালোঁ। মহাবিদ্যালয়খনৰ চৌহদত নিৰৱচ্ছিন্নভাৱে বলি থকা স্নিগ্ধ মলয়াজাবকত নিজৰ প্ৰাণ-মন এৰি দিলোঁহি। নিজৰ বুলিবলৈ তেতিয়ালৈ একো নাছিলেই, গতিকে নিজৰ বুলি সময়খিনি বা অহংকাৰ প্ৰকাশ কৰিবৰ একো অৱকাশেই নাছিল। মোৰ সময়বোৰ যেন আনৰ বাবে হওক, মোৰ এটি হাঁহিত যেন কাৰোবাৰ সন্তুষ্টি আহি পৰক। সেয়াই মোৰ প্ৰাৰম্ভিক পৰ্যায়ৰ কথা।

সময়বোৰ ক্ৰমশঃ উটি যোৱাত গ'লত মানুহবোৰৰ মাজত মোৰ

চিনাকি, সম্পৰ্ক হ'বলৈ লাগে। সঁচাকৈ কয় যদি, সে মোৰ অৱচেতন মস্তিষ্কৰ আৱেদনত, নাজানো; কিন্তু তেওঁৰ মানুহবোৰৰ অফুৰন্ত প্ৰেম, শক্তি, ইতিবাচক চিন্তা- ভাৱনাৰ পৰশ লাগিলোঁ, যিখিনিয়ে মোৰ শুকাই পৰা মানসিক অৱস্থাটোক নতুন প্ৰাণ প্ৰদান কৰিলে। সকলোৱে স'তে সম্বন্ধবোৰ যিমান পাৰোঁ ফটফটীয়াকৈ ৰাখিবৰ প্ৰয়াসত মনোনিৱেশ কৰিলোঁ। আনৰ কথা নাজানো, কিন্তু মোক সিহঁতে জীয়াই থকাৰ অপৰিমিত শক্তি আৰু সেতু প্ৰদান কৰিলে। ঠিক আজিও।

সৰুৰ পৰাই মোৰ শিক্ষাগুৰুসকলৰ লগত সম্বন্ধ ওচৰৰ। হ'ব পাৰে তেনেকুৱা। কিন্তু সময়তে সেই সোঁতটি হেৰাই গৈছিল। ঈশ্বৰৰ কৃপাত ইয়াত আকৌ মই আমাৰ বিভাগৰ চাৰ-বাইদেউসকলক লগ পালোঁ; পিছলৈ আন বিভাগৰ কেইজন মান চাৰ-বাইদেউক। তেওঁলোকৰ সান্নিধ্যত পোম পোৱা পোহৰখিনিয়ে এটা নতুন পথ দেখুৱালে। পুনৰ সেই সোঁতৰ উৎপাত লাগিল মনত। প্ৰতিয়া তাৰেই যোগান।


লাহে লাহে বন্ধুত্বৰ মূল্যও বুজিব ধৰিলোঁ। এইবাৰ কলেজে মোক শিকোৱা এটা বৃহৎ বিষয়- বন্ধুত্ব। মই জানো, সি মোক পৰৱৰ্তী গোটেই জীৱনৰ বাবে ধনী কৰি পেলালে, মনৰ পৰা। আকৌ অন্য হাতে শান্তিপ্ৰিয়তাই মোক আৱৰি পেলালে যেন অনুভৱ হয়। পূৰ্বতে মই এনে নাছিলো বোধহয়, কিন্তু এই পৰিৱেশৰ কোনটো বা কোনকেইটা কাৰকে ক্ৰিয়া কৰিলে জানো মোৰ অন্তৰত; অথচ মই যেন এতিয়া শান্তিতকৈ আৰু একো নিবিচাৰিম। মই আগতেও কেইবাখনমান মহাবিদ্যালয়ত তিনিবছৰ পঢ়ি আহিছোঁ। এয়া মোৰেই শেষ হ'ব পাৰে; মই ইয়াত আহিহে শৃংখলাবদ্ধতা আৰু অনুশাসনৰ সৈতে সঁচা অৰ্থত পৰিচয় হ'লোহি।

অসমীয়া বিভাগলৈ পঢ়িবৰ অহাৰ মোৰ যি সিদ্ধান্ত, তাক লৈ মই গোটেই জীৱনটো গৰ্বিত হ'ম। এই বিভাগটোৰ সৈতে

প্ৰয়োজনতকৈ অধিকেই আমোদিক টান উত্তাপ সৃষ্টি কৰি ললোঁ। এদিন-এৰাতি নুমাৰুণ-মুশোৱাৰতেও যেন কাম কৰিম—আলোচনী বনাম। আমি, বিভাগটোৱে নতুনকৈয়ে দুখাৰ কথা মই কওঁ ল'লোঁ — প্ৰেম, প্ৰেৰণা, শক্তি। সতিকৈ তাৰ বিনিময় আদায় কৰিবৰ চেষ্টা কৰোঁ, যদিও বিফল। বিশেষকৈ বিভাগত আহি লগ পোৱা বিনীতা চেতীয়া বাইদেউ আৰু বৰ্ণালী শইকীয়া বাইদেউৰ কথা পোৱা-মিলিৰ সমস্যা-বিৰক্তি শেষ নোহোৱা ধৰণৰ। সেই উৎসাহ, সাহস, অনুপ্ৰেৰণা, জীৱন সত্যৰ শিক্ষা, মনৰ সমস্যাযুক্ত কৃষ্টত লিপিবদ্ধ হৈ ৰ'ল থুলি আত্মবিশ্বাস। তদুপৰি ডাঃ আৰু অনুপমা দুতীয়া বাইদেউৰ কামনাবোৰ আন্তৰিক বেশত সজাবলৈ আমাৰ এই কলম। তেওঁলোকৰ সহৃদয়পূৰ্ণ ব্যক্তিত্ব, সিদ্ধান্ত গ্ৰহণৰ অদ্ভুতপূৰ্ব কৌশল, উন্নততা তথা সমুদায় মানুহবোৰজনৰ অনুপম আগেই গৈ সংস্কৃতিক-ভাৱে প্ৰভাৱিত কৰি আহিছে। সদায়ে এই চাৰিজন ব্যক্তিৰ সান্নিধ্যত থকা মনত থাকিব। মোৰ দুৰ্বল দিশবোৰ সবল কৰাৰ, মধ্যমীয়া দিশবোৰ অধিক সুন্দৰী কৰি তোলাৰ প্ৰচেষ্টাৰ এই সুযোগত শাঁইমানে অদ্ভুত পামিছোঁ। হ'লেও কোনোবাখিনিত কোনোটো বিষয় মনত থাকি যায় বাদ পৰি, মই বুজোঁ, মোৰ মাজত কোনো বিশেষত্ব শক্তি বা ক্ষমতা নাই, যাৰে মই প্ৰতিটো দিশত, প্ৰতিটো ক্ষেত্ৰত, প্ৰত্যেকজন ব্যক্তিক সন্তুষ্ট কৰিব পাৰিম। কিয়নো মইয়ো এজন মানুহ - Extraordinary নহয়। তেন্তে সুযোগৰ মাজেৰেই মই শিক্ষাগুৰুসকলক এই পৰিৱেশটো, মানুহখিনিৰ ওচৰত কৃতজ্ঞতাৰে ধন্য কৰিম। ভৱিষ্যতে এটা ৰাতি অধিক ৰঙীন স্বৰ্ণ-সোপানৰ ওচৰত আছেই কামনা।

উপৰি মানুহবোৰৰ ভালে থাকক, মহাবিদ্যালয়ৰ সংলগ্ন সকলোকে-যোগদা চিৰজীৱিজীয়া হৈ থাকক, আমাৰ বিভাগৰ কবিতা সুৰক। সকলোৰে এচেকলা মাথো হাব হৃদয়ত - অৱসৰৰ কাৰণে।

• জ্যোতি প্ৰসাদ গগৈ
পঞ্চম ষাণ্মাসিক



# চিনাকি মুখ

আজিৰ পৰা প্ৰায় ২০ বছৰৰ আগৰ কথা। নিশা তেতিয়া দশম
শ্ৰেণীত পঢ়ি আছিল। তাইৰ ঘৰত দেউতাক, মাক, ভনীয়েক আৰু
তাই। দেউতাকে খেতি-বাতি কৰি ঘৰখন সুন্দৰকৈ চলাই নিছিল।
কিন্তু হঠাতে এদিন মৌজাদাৰৰ পুতেক শান্তনুৱে এটা প্ৰস্তাৱ
লৈ সিহঁতৰ ঘৰলৈ আহিল, যে নিশাহঁতৰ খেতি মাটিখিনি তাক
লাগে, সি বোলে তাত কিবা ফেক্টৰী খুলিব। এই কথা শুনাৰ
লগে লগেই নিশাৰ দেউতাক জাঁপ মাৰি বহাৰ উঠিলে আৰু মাটি
খিনি দিব নোৱাৰোঁ বুলি ক'লে। শান্তনুৱে টকাৰ লোভ দিছিল
যদিও তেওঁ মান্তি নহ'ল। তেওঁ শান্তনুক বুজাই ক'লে যে, সেইখিনি মাটি
খেতিৰ মাটি। সেইখিনি বিক্ৰী কৰি দিলে তেওঁলোকে খাব কি! আৰু
তাৰ লগতে তাত যদি ফেক্টৰী বনায়, তেন্তে নিশাহঁতৰ লগতে আন আন
লোকসকলৰ মাটিবোৰৰো অনিষ্ট হ'ব। সেয়েহে নিশাৰ দেউতাকে
গাঁৱলীয়া সহজ-সৰল মানুহখিনিৰ পেট মৰাতকৈ আন ঠাইত
ফেক্টৰী খুলিবলৈ বুলি শান্তনুক অনুৰোধ জনালে। কিন্তু শান্তনুৱে
মুহূৰ্তত ৰুদ্ৰমূৰ্তিৰ ৰূপ লৈ নিশাৰ দেউতাকক ধমকি দি কৈ গ'ল
যে, মাটিখিনি তাক নিদিলে সি তেওঁলোকক শান্তিৰে জীয়াই থাকিব
নিদিয়ে। সেই ৰাতিটো নিশাৰ দেউতাকে এইবোৰ কথাকে চিন্তা কৰি
শুব নোৱাৰিলে। পিছদিনা ৰাতিপুৱাই তেখেতে উঠিয়েই গৈ ওচৰ-চুবু
ৰীয়া যাৰ যাৰ মাটি তাত আছে, তেওঁলোকৰ সকলোৰে লগত এই
বিষয়ে আলোচনা কৰিলে আৰু মাটিখিনি বিক্ৰী নকৰিবলৈ বুলি
মানুহখিনিক বুজালে। নিশাৰ দেউতাকে যে শান্তনুৰ বিৰুদ্ধে মানুহ
12 খিনিক উত্তেজিত কৰিছে এই কথাটো শান্তনুৰ কাণত পৰিল। লগে লগেই
শান্তনু নিশাহঁতৰ ঘৰত গৈ দেউতাকক ধমকি দি নানা ধৰণৰ
গুণ্ডামি কৰিবলৈ ধৰিলে। দেউতাকে তাৰ প্ৰতিবাদ কৰি শান্তনুক
আনত দিম বুলি কোৱাত সি মুহূৰ্ততে নিশাৰ দেউতাকক সিহঁতৰ

আগতেই তিনি চোৰে হত্যা কৰিলে। এই সকলোবোৰ নিশা, ভনীয়েক, আৰু মাকৰ চকুৰ পলকতে হৈ গ'ল অথচ সিঁহতে একো কৰিব নোৱাৰিলে। চকুৰ পলকতে সিঁহতৰ সুখ সমৃদ্ধিখিনি শেষ হৈ গ'ল। শান্তনু আৰু তাৰ লগত থকা কেইটামান দেউতাকৰ হত্যাটোক আত্মহত্যাৰ ৰূপ দিবলৈ বিচাৰিলে। সিঁহতে নিশা আৰু তাইৰ মাকক কাৰো আগত মুখ নুখুলিবলৈ বুলি ধমকি দিলে, যদিহে মুখ খুলে তেন্তে সিঁহত তিনিজনীকে মাৰি পেলাব বুলি ভয় খুৱালে। নিশাৰ মাক অচেতন হৈ পৰি গ'ল, সিঁহতে শান্তনুৰ ভয়ত মুখ নুখুলিলে। গাঁৱৰ সকলোৱে দেউতাকে আত্মহত্যা কৰিলে বুলিয়ে ভাবি ল'লে। নিশাইহে জানে তাইৰ বুকুত কি জুই জ্বলি আছে।

আজি দহ বছৰৰ পিছত নিশাই বহুত ভাবি-চিন্তি, মনত সাহস গোটাই দেউতাকক ন্যায় দিম বুলি উঠিছে, কিন্তু তাই ন্যায় পা'বনে?

স্মৃতি গগৈ
পঞ্চম ষাণ্মাসিক

# অন্ধবিশ্বাস

ভেলুৰা এখন গাঁও। গাঁওখনৰ মানুহ বোৰ শিক্ষাৰ পৰা দূৰত আছিল। শিক্ষাৰ পোহৰ পৰা নাছিল। একিন গাঁৱত মেলেৰিয়া হৈ পৰিছিল এক মাৰাত্মক মহামাৰী। গাঁওবাসীয়ে বিশ্বাস কৰিছিল যে এই ৰোগ দেৱতাৰ অভিশাপ আৰু তেওঁলোকৰ স্থানীয় দেৱীক পূজা কৰিলেহে এই ৰোগৰ পৰা পৰিত্ৰাণ পোৱা যায়। তেওঁলোকে প্ৰাৰ্থনা কৰিছিল, বিভিন্ন ৰীতি-নীতি পালন কৰিছিল, বলিদান দিছিল। কিন্তু ডাক্তৰৰ ওচৰলৈ যাবলৈ বা ঔষধ খাবলৈ ইচ্ছা প্ৰকাশ কৰা নাছিল। ফলত বহু গাঁৱৰ মানুহ গুৰুতৰভাৱে অসুস্থ হৈ পৰে আৰু কেইবাজনো লোক মৃত্যু মুখত পৰে। গাঁও খনক ভয় আৰু আশাহীনতাৰ ভাৱনাই জুৰুলা কৰিছিল। গাঁও-বাসীয়ে বিশ্বাস কৰিছিল যে তেওঁলোকৰ ভাগ্যত মোহৰ মাৰিছে আৰু দেৱী আইৰ মং বা ক্ৰোধ অনিবাৰ্য।

একিন চহৰৰ পৰা ডাঃ শান্তনু শৰ্মা নামৰ এজন দেকা ডাক্তৰে ভেলুৰা নামৰ গাঁওখনলৈ ফুৰিবলৈ আহে। তেওঁ গাঁওখনক ভালদৰে নিৰীক্ষণ কৰি চালে। গাঁওখনৰ লোকসকলৰ ভিতৰত অশিক্ষিত লোকৰ সংখ্যা অধিক। তেওঁ মেলেৰিয়াত লোক সকলৰ দেখি অস্থিৰ হৈ পৰিল। মেলেৰিয়াত আক্ৰান্ত লোকৰ সংখ্যা আৰু মৃত্যুৰ হাৰ বেছি হোৱা দেখি তেওঁ চিন্তিত হৈ পৰিল। ডাঃ
14 শৰ্মাই গাঁৱৰ বয়োজ্যেষ্ঠসকলৰ লগত আলোচনা কৰি মেলেৰিয়া ৰোগ নিৰাময় কৰিব পৰা ঔষধ উপলব্ধ বুলি বুজাই দিলে। অৱশেষে আধুনিক চিকিৎসা বিজ্ঞানক বিশ্বাস কৰিবলৈ গাঁওবাসীয়ে সন্মতি প্ৰকাশ কৰিছিল আৰু দ্বিধাবোধ কৰিছিল।

ডা: শৰ্মাই অধ্যৱসায় কৰি গাঁওবাসীক মেলেৰিয়া প্ৰতিৰোধী ঔষধেৰে চিকিৎসা কৰিবলৈ ধৰিলে। মহৰ বাহ ধ্বংস কৰি অপৰিষ্কাৰ হৈ থকা পানী নিৰ্মূল কৰা, ব্যক্তিগত পৰিষ্কাৰ, পৰিচ্ছন্নতা বজাই ৰখাৰ গুৰুত্বৰ বিষয়েও তেওঁ গাঁওবাসীক জ্ঞান দিছিল। লাহে লাহে নিশ্চিতভাৱে গাঁৱৰ মানুহে ডা: শৰ্মাৰ কামবোৰ বুজিব ধৰিলে। তেওঁৰ চিকিৎসাৰ ফলত গাঁওবাসীয়ে সুস্থ হ'বলৈ ধৰাৰ লগে লগে তেওঁলোকে উপলব্ধি কৰিলে যে দেৱী আইৰ প্ৰতি তেওঁলোকৰ অন্ধবিশ্বাস বিপথে পৰিচালিত হৈছে। অপ্ৰয়োজনীয় ভয়ে তেওঁলোকে বহুতো যন্ত্ৰণা ভোগ কৰি আহিছিল। চিকিৎসাৰ সহায় লবলৈ অনিচ্ছা প্ৰকাশ কৰাৰ বাবে বহুতো আপোন মানুহক হেৰুৱাবলগীয়া হৈছিল। অন্ধবিশ্বাসে তেওঁলোকলৈ বিপদ কঢ়িয়াই আনিছিল। ডা: শৰ্মাই এই কবলৰ পৰা গাঁওবাসীক উদ্ধাৰ কৰিব পাৰিলে। গাঁওবাসীয়ে ডা: শৰ্মাক তেওঁলোকৰ জীৱন ৰক্ষাৰ বাবে কৃতজ্ঞতা জ্ঞাপন কৰাৰ লগতে তেওঁৰ নিষ্ঠা আৰু যত্নৰ বাবে ধন্যবাদ জ্ঞাপন কৰে,


ডা: শৰ্মাৰ অভিজ্ঞতাই গাঁওবাসীক এক মূল্যৱান শিক্ষা দিলে যে অন্ধবিশ্বাস মানুহৰ স্বাস্থ্য আৰু সুস্থতাৰ বাবে ক্ষতিকাৰক হ'ব পাৰে। তেতিয়াৰ পৰাই তেওঁলোকে নিজৰ আধ্যাত্মিক বিশ্বাসক বৈজ্ঞানিক জ্ঞান আৰু চিকিৎসাৰ সৈতে ভাৰসাম্য ৰক্ষাৰ বাবে, সচেতনতা মনেৰে প্ৰচেষ্টা চলাইছিল। অৱশেষত গাঁওখন ৰক্ষা পৰিল, গাঁৱৰ মানুহবোৰ সুস্থ হ'বলৈ ধৰিলে আৰু সুখী জীৱন কটাবলৈ ধৰিলে। ডা: শান্তনু শৰ্মাৰ এই গাঁও ভ্ৰমণে এক অতি প্ৰয়োজনীয় পৰিৱৰ্তন আনিলে আৰু গাঁওবাসীক যিবোৰ শিক্ষা, জ্ঞান, অভিজ্ঞতা

15 দিছিল সেইবোৰ তেওঁলোকে কেতিয়াও পাহৰিব নোৱাৰিব।

• কৰবী দাং
তৃতীয় ষাণ্মাসিক


কবিত

# আধৰুৱা মোৰ জীৱন



আধৰুৱা মোৰ জীৱন
আধৰুৱা মোৰ সপোন
জীৱনৰ আগৰত দূৰ হৈ
ৰচিছিলোঁ বহু সপোন। হঠাৎ
যৌৱনৰ পত্ৰেৰাই ভাঙি নিয়া
ঘৰ-দুৱাৰবোৰৰ দৰে
ভাঙি-চিঙি চুৰমাৰ হ'ল
মোৰ শৈশৱৰ সপোন।
প্ৰতিটো দুখ জয় কৰি
পুনৰ ৰচোঁ এখোটি সুন্দৰ সপোন,
কিন্তু হৈ-পৰে আধৰুৱা।
নিজৰ মাজতেই মেকাই লৈছোঁ
বিচাৰি জীৱনৰ উত্তৰ। কিন্তু আধৰুৱা;
তথাপিও....
বিষন্নতা লৈওচি ধৈৰ্য্যৰে আছোঁ—
এটি সুন্দৰ জীৱনৰ অপেক্ষাত।

•যুৱৰাজ বড়ি
প্ৰথম ষাণ্মাসিক

# আইৰ চকুলো




আই তোৰ দুচকুত ভোঁহিছে
দুটোপাল চকুলো,
আই কিহেৰে দিওঁ মচি,
আই তোৰ দুচকুত ভোঁহিছে
দুটোপাল চকুলো....
আপোনৰ কাৰণেং তয়েই আই অঞ্জলি;
সোণালী ছবিৰে আঁকো
তোৰ হাততে হাত থৈ বগাই
পাৰহ'লোঁ জীৱন নামৰ বৰ দীঘলীয়া আঁকো।
এটি অঙ্গীকাৰৰে নিজৰ দেউকা মেলি
উৰালোকে,
তয়ে মোৰ আহঅৰ প্ৰেয়সী,
তোৰ মৌ-সনা মিঠা মাততেই
উঠে মোৰ প্ৰাণত সুখৰ লহৰ।
আই তোৰ দুচকুত ভোঁহিছে
দুটোপাল চকুলো...
আই কিহেৰে দিওঁ মচি।



• শ্যামন্ত দাস
প্ৰথম ষাণ্মাসিক

17


# প্ৰতিচ্ছবি



বহু দিনৰ মূৰত
মোৰ মনৰ মণিকূটৰ বন্ধ দুৱাৰখন খুলি
চল্লিছ বছৰ এৰবগা
আইৰ আঁচতীয়া
সূতাৰ সাজযোৰ উলিয়াই আনিলোঁ।
পাতলি এখন যদিও মোহগটো নিচেই আপোন।
এবাৰ গাত মেৰিয়াই চালোঁ,
তেতিয়াৰে এবাৰ নিৰীক্ষণ কৰিলোঁ নিজক।
আইৰ কাপোৰযোৰ পিন্ধিব পৰাকৈ
সঁচাই মই ডাঙৰ হৈছোঁনে?
সপোনমনৰ অনুমতি যে অসহায়ত্ম
কৰিব বিচাৰিলোঁ।
কিমান ডাঙৰ হ'লে এই কাপোৰযোৰে
মোক সামৰাব?
পাৰিপাশ্বিক খিয়ালৈ নহওক,
আকৌ কেতিয়াও দিন ঘূৰি অহা নাই।
আইয়েই কৈছিল -
18
এই সময় আহিলে তই দেখিবি,
তেহে সিহঁতত দেখিবি নিজৰ প্ৰতিচ্ছবি।

• কাকলি দত্ত
প্ৰথম ষাণ্মাসিক

# সময়



সময়বোৰ
আগুৰাই যায়
দুৰন্ত গতিৰে
আইতাৰ কোলাত মূৰ গুঁজি
স্বৰ্গৰ অপেশ্বৰীৰ সাধু শুনি
আইতাৰ কোলাত টোপনি যোৰ
লৰালি দিনৰ ৰং বিমালি যোৰ
লগৰীয়াৰ স'তে কৰা দুষ্টামিবোৰ
এতিয়াও সজীৱ হৈ উঠে।
এৰি অহা সময়বোৰ
উভতি নহাৰ বাটেৰে হেৰাই যায়।
তথাপিও...
পুনৰ ঘূৰাই পোৱাৰ দুৰ্বাৰ হেঁপাহ,
কিন্তু...
পাম জানো সেই সময়বোৰ?
মাথোঁ ৰৈ যায় স্মৃতিবোৰ।
সময়ৰ আহ্বানত
ৰাখি যাম কৰ্তব্য,
আগুৰাই যাম গন্তব্য স্থানলৈ।


• পূজা সোণোৱাল
প্ৰথম ষাণ্মাসিক

# স্মৃতি হ'ব কলেজীয়া দিনবোৰ

বৰ ভাল লাগে!
এইযে কাতিপুৰা অলসকালে উঠি
এন-এন ধুঁই, ভেত-পৰাহ মৰ্মৰকৈ মাথ
ওলাই আহোঁ কলেজলৈ বুলি।
বৰ ভাল লাগে!
কাতিপুৰা আমি সেই প্ৰথম লগা দৃশ্যবোৰ দেখি
কলেজৰ দীঘলীয়া সময়বোৰ আৰম্ভণিতে
দুৱেমথালে থকা নাহৰ আৰু দেৱদাৰু
গছবোৰে আদৰে সকলোকে।
মই বাৰে বাৰে ঘূৰি চাওঁ সেই চাৰিসীমা,
কলেজখনৰ প্ৰতিটো যেন সৌন্দৰ্যৰে ভৰা,
প্ৰতিটো বিভাগ চালে চকুৰোৱা
মই অচিনাকি হৈ আহিছিলোঁ,
এতিয়া যেন চিনাকি হৈ পৰিলোঁ।
কলেজখনত থকা প্ৰত্যেকটো দিন
মোৰ ভাল লগা—স্মৃতিৰ পৃষ্ঠাত হৈ ৰ'ব সজীৱ।




• মৈত্ৰী পেগু
প্ৰথম ষাণ্মাসিক



# অণুগল্প

# অগ্নিশিখা যেন আবেলি

আবেলি পশ্চিম আকাশত মাৰ যাব ধৰিছে ৰঙা বেলিটো। সেই বেলিটোৰ শেষ কোনোবাজনে অনুভৱ কৰিছে সি যেন এটি অগ্নি শিখাৰ টুকুৰাৰ দৰে আছে। কোনোবাজনে অনুভৱ কৰিছে সি যেন এক জন্ম-মৃত্যুৰ খেল। পুৰত ওলাই পশ্চিমত মাৰ যায়। জন্ম হ'লে মৃত্যু নিশ্চিত।

বহুজনে তাক লৈ ৰঙীন সপোন ৰচিছে, বহুজনে যাক লৈ সপোন ৰচিছে, বহুজনে যাক লৈ কবিতা ৰচিছে। ব্যক্তিভেদে প্ৰকৃতিৰ প্ৰতি সকলো ভালপোৱা, আন্তৰিকতাৰ ভেদাভেদ দেখা যায়।

মানৱ জীৱনটো যেন এগছি জ্বলি থকা বন্তি। জ্বলি জ্বলি এসময়ত নুমাওঁ নুমাওঁ অৱস্থা। কোনোবাজনৰ জীৱনত সেই বন্তিগছি নুমাই যাব ধৰিছে। কোনোবাজনৰ জীৱনত আকৌ সেই এক আলস্য মুহূৰ্তৰ পিছতে নুমাব খোজা বন্তিগছিত যেন কোনোবাই তেল ঢালি দিছে আৰু বন্তি গছিয়ে আন্ধাৰৰ উজান ঘাটত পোহৰৰ সমাৱেশ ঘটাই চৌদিশ পোহৰাই তুলিছে।

•শ্যামন্ত দাস
প্ৰথম ষাণ্মাসিক

21

# অবাস্তৱত

হুহ্ হুহ্ গাঁওৰ মানুহে ঠিকেই ভাবিছে বাপেক নমৰা লৰাটোৱে যে বেমাৰী মাক জনীৰ কাৰণে ঔষধ আনিবলৈ গৈ যোৱা দুদিন ধৰি ঘৰলৈ অহা নাছিল, তাৰ মানে কোনোবা কোনোবা ভাৰতৰ ৰাজনীতি বিদৰ গাড়ীৰ আগত মৃত্যু হৈছে।

মাকৰ কাণত যেন মানুহে কোৱা কথাষাৰ পাকঘূৰণি মাৰিছে আৰু যেন এম্বুলেন্সৰ কাৰণেও তেওঁ উশাহ টো লব নোৱাৰিব। মা....

ঘামেৰে জুৰুলা হৈ কঁপিলে বিছনাৰ পৰা উঠি বহিল। হুহ্ এইটো এটা কি [illegible] সপোন আছিল।

●দীতিচা চুতীয়া
প্ৰথম ষাণ্মাসিক

# সাধাৰণ জ্ঞান

# বিশিষ্ট সাহিত্যিক

**আনন্দ চন্দ্ৰ আগৰৱালা (১৮৫৩-১৯৩৬)ঃ**

অসমৰ বিশ্বনাথ জিলাৰ এজন সাহিত্যিক, কবি, ইতিহাসবিদ, অনুবাদক আৰু প্ৰশাসনিক বিষয়া। তেখেতক ভাঙনি কোঁৱৰ নামেৰেও জনা যায়। বিশেষকৈ তেখেতে-বহুতো ইংৰাজী কবিতা অসমীয়ালৈ অনুবাদ কৰাৰ বাবে ভাঙনি কোঁৱৰ উপাধি লাভ কৰিছে।

**কমলাকান্ত ভট্টাচাৰ্য্য (১৮৫৩-১৯৩৬)ঃ**

অসমীয়া সাহিত্যৰ অৰুনোদয় যুগৰ এজন বিশিষ্ট নিবন্ধকাৰ আৰু কবি আছিল। ১৮৫৩ চনৰ ২৩ ডিচেম্বৰত অসমৰ শোণিতপুৰ জিলাৰ বিশ্বনাথ চাৰিআলিৰ পোকোৰী গাঁৱত জন্মগ্ৰহণ কৰিছিল। তেওঁক 'অগ্নিকবি' নামেৰে জনা গৈছিল।

**ৰামনাথ বিশ্বাস (১৮১১-১৯৫৫)ঃ**

ভ্ৰমণ সাহিত্যিক হিচাপে তেখেত বিশেষকৈ পৰিচিত। তেওঁ সম্পূৰ্ণ বিশ্ব ভ্ৰমণ কৰি ভ্ৰমণ কাহিনী ৰচনা কৰিছিল, যি অসমীয়া পাঠক সমাজক বিশ্বচিন্তাৰ সৈতে পৰিচয় কৰাইছিল।

**লক্ষ্মীনাথ বেজবৰুৱা (১৮৬৪-১৯৩৮)ঃ**

অসমীয়া সাহিত্যৰ জনক বুলি তেখেতক জনা যায়। তেওঁৰ 'কবিতা', নাটক, প্ৰবন্ধ' আদিয়ে অসমীয়া সাহিত্যক নতুন দিশ

23 প্ৰদান কৰিছে। তেওঁক সাহিত্যৰ সাহিত্যৰথী বুলি জনা যায়।

**অম্বিকাগিৰি ৰায়চৌধুৰী (১৮৮৫-১৯৫৭)ঃ**

"জনতা কবি" নামেৰে জনা জাত। তেওঁৰ কবিতাত সামাজিক অসমতা,

স্বাধীনতাৰ আহ্বান আৰু ৰাষ্ট্ৰপ্ৰেম বিৰাজমান। "তুমি" আৰু "অৰুণোদয়" তেওঁৰ উল্লেখযোগ্য কাব্য।

### নৱকান্ত বৰুৱা (১৯২২-২০০২):

নৱকান্ত বৰুৱাৰ কবিতাত প্ৰেম, জীৱনৰ সংগীত আৰু সামাজিক চেতনা স্পষ্ট। কবিতা :- নৱকান্ত - আৰু অগ্নি শিখা উল্লেখযোগ্য।

### হীৰেন ভট্টাচাৰ্য (১৯৩২-২০১২):

হীৰেন ভট্টাচাৰ্যক "সুগন্ধি পখিলাৰ কবি" বুলি জনা যায়। তেওঁৰ কবিতা সহজ সৰল, প্ৰেমময় আৰু সমাজমুখী।

• চিত্ৰল পেগু
তৃতীয় ষাণ্মাসিক

24

# প্ৰশ্নোত্তৰ

• অসম সাহিত্য সভাৰ বৰ্তমান সভাপতি কোন?
উত্তৰ: ড° বসন্ত কুমাৰ গোস্বামী (২০২৫-২৭)

• ২০২৫ চনৰ অসমীয়া সাহিত্য একাডেমিৰ 'শিশু সাহিত্য বঁটা' কোনে লাভ কৰিছে?
উত্তৰ: সুৰেন্দ্ৰ মোহন দাস ('মইনাহঁতৰ পদ্য' গ্ৰন্থখনৰ বাবে)।

• সাহিত্য একাডেমি বঁটা বিজয়ী প্ৰথম অসমীয়া মহিলা কোন?
উত্তৰ: স্নেহ দেৱী।

• অসমীয়া লিখিত সাহিত্যৰ প্ৰথম নিদৰ্শন কি?
উত্তৰ: চৰ্যাপদ।


• গুণাভিৰাম বৰুৱাই সম্পাদনা কৰা মাহেকীয়া সংবাদ-পত্ৰখনৰ নাম কি?
উত্তৰ: "আসাম বন্ধু" (১৮৮৫-৮৬)।

• ভাৰতীয় জ্ঞানপীঠ বঁটা লাভ কৰা প্ৰথম অসমীয়া মহিলা লেখিকাৰ নাম কি?
উত্তৰ: মামণি ৰয়ছম গোস্বামী।

25 • প্ৰথম অসমীয়া ৰহস্যধৰ্মী গল্পকাৰজনৰ নাম কি?
উত্তৰ: শৰৎ চন্দ্ৰ গোস্বামী।

• গায়ত্ৰী চুতীয়া
তৃতীয় ষাণ্মাসিক

# মহৎ বাণী



• আনৰ আৰিলে চাওঁ যি হবে পৰিষ্কাৰ হয়, তেনেকৈ নিজৰ ভুল স্বীকাৰ কৰিলে মন শুদ্ধ হয়। — হেম বৰুৱা

• কোনোৱে তোমাক সমায় কৰিব নোৱাৰে। নিজেই নিজৰ সমায় লোৱা। — বুদ্ধদেৱ

• ভালদৰে জীৱন যাপন কৰিব বিচাৰিলা যদি অন্যক আঁকোৱালি লোৱা। — প্লেটো

• বিদ্যা মানুহৰ সৰ্বশ্ৰেষ্ঠ অলংকাৰ। — ঈশ্বৰ চন্দ্ৰ বিদ্যাসাগৰ

• এজন অসৎ লোকৰ লগত সুখ্যাতিৰে থকাতকৈ অকলে থকাই ভাল।

— গুজৰাত সমষ্ঠক

• যদি তুমি পৃথিৱীখন অলনি কৰিব বিচাৰা, প্ৰথমে তোমাৰ পৰিয়ালটোৰ পৰাই আৰম্ভ কৰা। — ড০ এ.পি.জে আব্দুল কালাম

• ভীৰুৰ দৰে জীয়াই থকাতকৈ বীৰৰ দৰে মৃত্যু বৰণ কৰাই শ্ৰেয়। — মহাত্মা গান্ধী

• সং নকৰিবা নিজৰ সৰ্বনাশ হ'ব। অহংকাৰ নকৰিবা পতন হ'ব; কাকো ঘৃণা নকৰিবা, নিজেও ঘৃণিত হ'বা; যাঁহি নিদিবা, যাঁকত পৰিবা। — স্বামী বিবেকানন্দ

• সংগ্ৰাহক - বাব্‌লি সোণোৱাল
তৃতীয় ষান্মাসিক

26



# সাঁথৰ

• তিনিটা আখৰৰ বস্তুটোক অকলোৱে পঢ়ে, প্ৰথমটো এৰি দিলে মৰম অনুভৱ কৰে?
উত্তৰ: কিতাপ।

• দেশ আছে মানুহ নাই, নদী আছে পানী নাই?
উত্তৰ: মানচিত্ৰ

• পানীত জন্ম আকৌ পানীতে মৃত্যু?
উত্তৰ: নিমখ।

• অকলোতে থাকো মই, অকলোৱে যায়, মই নহ'লে সৃষ্টি নহয়। য'তে বিচাৰে ত'তে পায়?
উত্তৰ: বতাহ।

• এশিঙীয়া গৰু, গোটেই পাত মচেঁ।
উত্তৰ: কঁচাল।


• কোনেনো উপজিয়েই আকাশলৈ উৰা মাৰে?
উত্তৰ: ধোঁৱা।

• খিয়ে দিয়ে ডাঙৰ হয়, পানী দিলে মৰি যায়?
উত্তৰ: জুই।

• পৰী গগৈ
তৃতীয় ষাণ্মাসিক



২০২৫ বৰ্ষৰ বিভাগীয় নৱাগত আদৰণি অনুষ্ঠানত উপস্থিত বিভাগৰ একাংশ


আজাৰি সময়
কটোৱাৰ আটাইতকৈ
লাভদায়ক আৰু
আনন্দদায়ক উপায়
হ'ল কিতাপ পঢ়া।
— হেমেন
বৰগোহাঞি
প্ৰচ্ছদ: কৰবী দাং